নং ঃ ৭৩২/২০২০

## অসম বিদ্যুৎ নিয়ামক আয়োগৰ নৱনিৰ্মিত ভৱনৰ শুভ উদ্বোধন কৰিলে মুখ্যমন্ত্ৰীয়ে

# লোক নিৰ্মাণ বিভাগৰ উদ্যোগত অতি কম সময়ৰ ভিতৰতে অত্যাধুনিক ৰূপত নিৰ্মাণ কৰি উলিওৱা বিদ্যুৎ নিয়ামক আয়োগৰ এই ভৱনে ৰাজ্যখনৰ আন্তঃগাঁথনি উন্নয়নৰ এক নতুন ছবি দাঙি ধৰিছে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ৪ নৱেম্বৰ ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি গুৱাহাটীৰ ছয়মাইলত অসম বিদ্যুৎ নিয়ামক আয়োগৰ নৱনিৰ্মিত ভৱনৰ শুভ উদ্বোধন কৰে। উল্লেখযোগ্য যে বিদ্যুৎ গ্ৰাহক আৰু উৎপাদন কোম্পানীসমূহৰ দুয়োপক্ষৰে স্বাৰ্থ সুৰক্ষিতকৰণৰ বাবে ২০০১ চনৰ ফেব্ৰুৱাৰী মাহত স্থাপন কৰা অসম বিদ্যুৎ নিয়ামক আয়োগৰ নৱনিৰ্মিত ভৱনৰ নিৰ্মাণকাৰ্য ২০১৭ চনত আৰম্ভ হৈছিল। অসম চৰকাৰৰ লোক নিৰ্মাণ (গৃহ) বিভাগে ২৩.৯৯ কোটি টকা ব্যয়ৰে অত্যাধুনিক ৰূপত নিৰ্মাণ কৰি উলিওৱা এই চাৰি মহলীয়া ভৱনটোত সভাকক্ষ, ৰেকৰ্ড ৰুম, পুথিভৰাল, আদালত কক্ষ, ভিডিঅ' কনফাৰেন্স কক্ষ আদিৰ সুবিধা আছে।

নৱনিৰ্মিত বিদ্যুৎ নিয়ামক ভৱন উদ্বোধন কৰি প্ৰদান কৰা ভাষণত মুখ্যমন্ত্ৰীয়ে কয় যে শক্তি বিভাগে আমাক পোহৰ যোগান ধৰে। পোহৰে মন ফৰকাল কৰে। একবিংশ শতিকাৰ এই প্ৰযুক্তিৰ যুগত প্ৰতিটো ক্ষেত্ৰতে বিদ্যুতৰ প্ৰয়োজন অনস্বীকাৰ্য। এই বিভাগটোৱে আমাৰ ঔদ্যোগিক জগতকে ধৰি প্ৰতিটো ক্ষেত্ৰতে উন্নয়নৰ দিশত চালিকা শক্তিৰ কাম কৰি আহিছে। সেয়েহে, সমাজখনক ক্ষিপ্ৰতাৰে উন্নয়নৰ দিশত আগুৱাই নিয়াৰ বাবে এই বিভাগৰ আটাইতকৈ গুৰুত্বপূৰ্ণ ভূমিকা আছে। প্ৰযুক্তিৰ বিকাশৰ লগে লগে মানুহৰ আশা-আকাংক্ষাও বৃদ্ধি পাইছে আৰু সেই অনুপাতে বিদ্যুতৰ চাহিদাও দিনক-দিনে বৃদ্ধি পাইছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ৰাইজৰ আস্থা আৰু বিশ্বাসৰ পাত্ৰ হ'বৰ বাবে বিদ্যুৎ বিভাগৰ তিনিওটা কোম্পানীয়ে নিজকে দক্ষ কৰি তুলিব লাগিব। আধুনিক প্ৰযুক্তি প্ৰয়োগেৰে গ্ৰাহক সকললৈ উন্নত মানৰ সেৱা আগবঢ়াব লাগিব। গ্ৰাহকসকলৰ মাজত সজাগতা সৃষ্টিৰ লগতে বিদ্যুৎ আন্তঃগাঁথনিৰ সুৰক্ষা সু-নিশ্চিত কৰাৰ বাবে জনসাধাৰণক এই প্ৰক্ৰিয়াৰ অংশীদাৰ কৰি তুলিব লাগিব। চৰকাৰৰ প্ৰতিখন আঁচনিকে যাতে ৰাইজে আন্তৰিকতাৰে আকোঁৱালি লয় আৰু তাৰ বাবে নিজ নিজ বিভাগৰ দুৰ্বলতাসমূহ আঁতৰোৱাৰ ব্যৱস্থা কৰিবলৈও তেওঁ বিষয়াসকলৰ প্ৰতি আহ্বান জনায়। অতি কম সময়ৰ ভিতৰতে অত্যাধুনিক প্ৰযুক্তিৰে এই ভৱনটি নিৰ্মাণ কৰি উলিওৱাৰ বাবে লোক নিৰ্মাণ বিভাগৰ মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাকে ধৰি নিৰ্মাণকাৰ্যৰ লগত জড়িত বিভাগীয় বিষয়া-কৰ্মচাৰীসকলক ধন্যবাদ জ্ঞাপন কৰি মুখ্যমন্ত্ৰীয়ে কয় যে বিদ্যুৎ নিয়ামক আয়োগৰ এই ভৱনে ৰাজ্যৰ আন্তঃগাঁথনি উন্নয়নৰ এক নতুন ছবি দাঙি ধৰিছে। তেওঁ কয় যে ভৱন এটা নিৰ্মাণ কৰাটো নিঃসন্দেহে উন্নয়নৰ প্ৰতীক, কিন্তু ইয়াক ভালদৰে পৰিচালনা কৰি জনসাধাৰণৰ কল্যাণৰ কামত ব্যৱহাৰ কৰাটোহে সুপ্ৰশাসনৰ চিন বুলি ক'ব পাৰি। অনাগত দিনত এই ভৱনে ৰাজ্যৰ বিদ্যুৎ গ্ৰাহক আৰু

উৎপাদক প্ৰতিষ্ঠানসমূহৰ উভয়ৰে স্বাৰ্থ সুৰক্ষাৰ বাবে নিষ্ঠাৰে সেৱা আগবঢ়াব বুলি তেওঁ আশা প্ৰকাশ কৰে।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি শিক্ষা, স্বাস্থ্য, বিত্ত, লোক নিৰ্মাণ আদি বিভাগৰ মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যৰ শেহতীয়া বিদ্যুৎ পৰিস্থিতি আৰু বিদ্যুৎ আন্তঃগাঁথনি উন্নয়নৰ বাবে ৰাজ্য চৰকাৰখনে বিগত চাৰে চাৰিটা বছৰে হাতত লোৱা পদক্ষেপসমূহৰ বিৱৰণ দাঙি ধৰে। বিদ্যুৎ খণ্ডৰ নামত ৰাজ্যিক বাজেটৰ বোজা হ্ৰাস কৰাৰ বাবে তেওঁ শক্তি উৎপাদক আৰু বিতৰক কোম্পানীসমূহৰ কাৰ্যদক্ষতা বৃদ্ধি তথা বিদ্যুৎ সংৱহনত হোৱা ক্ষতি হ্ৰাস কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

অসম বিদ্যুৎ নিয়ামক আয়োগৰ অধ্যক্ষ সুভাষ চন্দ্ৰ দাসে আদৰণী ভাষণ প্ৰদান কৰা আজিৰ উদ্বোধনী অনুষ্ঠানত আয়োগৰ দুগৰাকী অৱসৰপ্ৰাপ্ত অধ্যক্ষ ক্ৰমে জয়ন্ত বৰকাকতী আৰু নৱ কুমাৰ দাস, মুখ্য তথ্য আয়ুক্ত হিমাংশু শেখৰ দাস, এপিডিচিএল, এইজিচিএল আৰু এপিজিচিএলৰ অধ্যক্ষ ভি কে পিপাৰচেনীয়াকে ধৰি ৰাজ্য চৰকাৰৰ বহুকেইগৰাকী অৱসৰপ্ৰাপ্ত জ্যেষ্ঠ প্ৰশাসনিক বিষয়া, বিদ্যুৎ নিয়ামক আয়োগৰ সদস্যসকল তথা শক্তি আৰু লোকনিৰ্মাণ বিভাগৰ বিষয়ববীয়াসকল উপস্থিত থাকে।

**প্ৰঃকুঃবঃ**
**৪/১১/২০২০**